উদ্‌যাপিত ভঠেলী উৎসৱ।

অসমীয়া সমাজ ব্যৱস্থাত শ্ৰেণী সমাজৰ নাম-গোন্ধ পোৱা নগৈছিল। কোনো ধৰণৰ সংকীৰ্ণতায়ো স্থান পোৱা নাছিল। সমন্বয়-একতাৰ ডোলেৰে সকলোৱে গঢ়িছিল একাত্মতাবোধ—

'নগাৰে চাঙতে পেঁপাটি বজালে
ডফলাই ধৰিলে টকা।
ল'ৰা-বুঢ়া-জীয়ৰী ৰঙতে বলিয়া
ব'হাগৰ বিহুৱা ডেকা।'

এনে উদাৰ সম্প্ৰীতিবোধৰ মাজতো কেতিয়াবা ঘৃণে ধৰে। আকৌ কেতিয়াবা জনজাতীয় লোকৰ কাৰ্যক নীচ, হীন, অধম ৰূপত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা দেখা যায়। অৰ্থাৎ সেই বিশেষ জনজাতীয় লোকসকলহে যেনিবা কোনো প্ৰেমিক-প্ৰেমিকাৰ মৃত্যুৰ কাৰণ হ'ব পাৰে। বিহুগীতত এনে উল্লেখ দেখা পোৱা যায়—

'কিনো খাই পাহৰিম তোক ঐ লাহৰি
কিনো খাই পাহৰিম তোক।
মিচিমি আহিব বৰবিহ আনি
তাকে খাই পাহৰিম তোক।'

পৰ্বতীয়া ডেকা সাধাৰণতে পাহুৱাল। তেনেদৰে গাভৰুবোৰো শুৱনি। অসমীয়া সংস্কৃতিলৈ মিৰিসকলৰ অৱদান যথেষ্ট। বিহুগীততো মিৰিৰ উল্লেখেৰে সমৃদ্ধিশালী কৰি তোলা দেখা যায়—

'নৈৰে শুৱনি গঙা চিলনী
পৰ্বতৰ শুৱনি মিৰি,
ডেকা শুৱনি ভৰিৰ কলাফুল
গাঁৱৰে শুৱনি তিৰী।'

জনজাতীয় সমাজত কুকুৰাৰ মাংস অতি প্ৰিয়। তেওঁলোকে কুকুৰা ঘৰতেই পোহে। ই জীৱিকা নিৰ্বাহৰ অন্যতম উপায়; কিন্তু অজনজাতীয় সমাজত কুকুৰা মাংস যেন অস্পৃশ্য। গতিকে কুকুৰা কেৱল অস্পৃশ্যই নহয়, কেতিয়াবা কেতিয়াবা ই যেন উচ্চ জাতিৰ শত্ৰু আৰু ঘৃণাৰ কাৰণ।

'কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক;
ৰাতি নৌপুৱাওঁতেই কিয় ডাকে দিলি
ধনে এৰি যায় মোক।'

সাধাৰণতে পৰ্বতীয়া জনজাতীয় সমাজত ল'ৰাই যেতিয়া বিবাহৰ বাবে ছোৱালী চাবলৈ যায়, তেতিয়া ল'ৰাটোৱে নিজৰ সামৰ্থতা, শক্তি, পুৰুষত্ব, বীৰত্ব প্ৰদৰ্শন কৰি ছোৱালীৰ মন আকৰ্ষণ কৰিব লাগে। অন্যথা বিবাহ সম্ভৱ হৈ নুঠে। বিহুগীততো এনে উদাহৰণ পোৱা যায়—

'পৰ্বতত মাৰিলোঁ নোদোকা গাহৰি
ভৈয়ামত মাৰিলোঁ গঁড়;
এইবাৰ লাহৰী মোলৈ আহিম বুলি
গালৈ চাই শপথ কৰ।'

বাঁহৰ গাজ বা খৰিচা সকলো জনজাতীয় লোকৰে প্ৰিয় খাদ্য। পাভ মাছৰ সৈতে খৰিচা টেঙা দি ৰন্ধা আঞ্জাখনৰ কথা মনত কৰিলেই লোভ লাগে। টেঙা নাৰীমনক আকৰ্ষণ কৰিব পৰা অন্যতম সম্পদ হিচাপে পৰিগণিত হৈ আহিছে। বিহুগীতত ইয়াৰ উল্লেখ এনেদৰে পোৱা যায়—

'গধূলি বজাৰৰ পাভ মাছ কিনিলোঁ
খৰিচা টেঙা দি ৰান্ধো।
খাবৰে সময়তে তোলৈ মনত পৰে
ভাতৰ পাতত বহি লৈ কান্দো।'

ইয়াৰ উপৰিও বিহু, বিহুগীতবোৰত অনেক জনজাতীয় সংস্কৃতিৰ উপাদান পোৱা যায়। ইয়াৰ বাবে লাগিব গৱেষণালব্ধ, পদ্ধতিগত বিজ্ঞানসন্মত অধ্যয়ন। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীস্বৰূপ এই বিহু, বিহুগীতবোৰৰ মাজত জীয়াই থাকক সঁচা মানুহৰ অমল উছাহ। ❖❖❖


**সহায়ক গ্ৰন্থ ঃ**

১। গন্ধীয়া, জয়কান্ত —হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ, ১৯৮৮, পৃঃ ১
২। গন্ধীয়া, জয়কান্ত —বিহু সংস্কৃতিৰ ৰূপৰেখা, ১৯৮৮, পৃঃ ১
৩। গোস্বামী, প্ৰফুল্লদত্ত —অসমীয়া জন-সাহিত্য, ১৯৮৬, পৃঃ ৯
৪। শৰ্মা, সত্যেন্দ্ৰ নাথ —অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১৯৬৫, পৃঃ ৩১
৫। ভূঞা, সূৰ্য্য কুমাৰ —(সম্পা.) দেওধাই অসম বুৰঞ্জী, ১৯৯০, পৃঃ ৪৭
৬। ভূঞা, সূৰ্য্য কুমাৰ —লাচিত মেলাৰ সভাপতিৰ অভিভাষণ, ১৯৬৫
৭। গন্ধীয়া, জয়কান্ত —বিহু সংস্কৃতিৰ ৰূপৰেখা, ১৯৮৮, পৃঃ ৪

# ডাৱৰৰ সিপাৰে জোন

মৃদুস্মিতা ভট্টাচাৰ্য
স্নাতক তৃতীয় বৰ্ষ

**বৰ্ষামুখৰ** এক ৰাতিপুৱা। অভিমানী ডাৱৰবোৰে যেন অভিমান কৰি সূৰ্যক বাট এৰি দিয়া নাই পৃথিৱীক পোহৰ বিলাবলৈ। ৰোকাং নামৰ সৰু ঠাইখনত সূৰ্যৰ অনুপস্থিতি সত্ত্বেও ৰাতিপুৱাৰ ব্যস্ততা আৰম্ভ হৈছে। বহুতে হাতত ব্ৰাছ লৈ জগিং কৰিছে। এইবিলাক সৌন্দৰ্য সচেতন ব্যক্তি, যি ৰাতি পুৱা টোপনিৰ মধুৰ আৱেশ ত্যাগ কৰি প্ৰাকৃতিক শোভা উপভোগ কৰিছে লগতে ৰাতিপুৱা বিশুদ্ধ বায়ু সেৱন কৰি স্বাস্থ্যৰো যত্ন লৈছে। পাহাৰৰ ওচৰতে এই ঠাইডোখৰ বৰ মনোৰম। ইয়াৰ সৌন্দৰ্য মানুহে নেদেখালৈকে অনুভৱ কৰিব নোৱাৰে। কেইঘৰমান লোকৰ বাহিৰে বাকী সকলো জনজাতীয় লোক। চহৰৰপৰা বিভিন্ন কাৰণত কৰ্মৰ খাতিৰত আহি থকা লোকসকলে এখন কল'নী পাতি বাস কৰিছে আৰু ইয়াৰ নাম দিছে



ৰোকাং নগৰ।

ৰাগিণী বৰুৱাই ব্ৰাছডাল হাতত লৈ ওলাই আহিল। চাৰিওদিশে চালে তেওঁ ঠাইখন। ৰাতিপুৱাৰ স্বকীয় সৌন্দৰ্যত উদ্ভাসিত হৈ উঠিছে। তেওঁৰ চকুকেইটা পুৰিছে। গোটেই নিশাটো তেওঁ এক মিনিটৰ বাবেও টোপনি যোৱা নাই। গোটেই নিশাটো তেওঁ নিজৰ অতীতটো খুঁচৰি থাকিল। তেওঁ নিজকে প্ৰশ্ন কৰিলে— কাৰ কাৰণে তেওঁ আজি এই নিঃসংগ জীৱন কটাইছে? কাৰ কাৰণে জীৱনৰ ৰংবোৰ হেৰুৱাই পেলালে? কিন্তু কোনো শুদ্ধ উত্তৰ নিজৰ মনটোক দিব নোৱাৰিলে। দৰাচলতে তেওঁৰ এই সমস্ত উত্তেজনাৰ কাৰণ হ'ল নীহাৰ। সি আজি আহিব তেওঁৰ ওচৰলৈ। এক বিলাসপূৰ্ণ জীৱনক ত্যাগ কৰি তেওঁৰ জীৱনৰ অংশীদাৰ হ'বলৈ সি আহিব। ৰাগিণী বৰুৱাই ভিতৰলৈ গৈ পুনৰ তাৰ চিঠিখন পঢ়ি চালে। তেওঁ নিজৰ বাবে একাপ চাহ কৰিলে আৰু ডিভানখনত আউজি বহুদিন নেমেলা ডায়েৰীখন মেলি চালে। বহু বছৰ আগৰ ডায়েৰী এইখন। তেওঁ ডায়েৰীৰ পাতবোৰ লুটিয়াই গ'ল। প্ৰতিখিলা কাগজৰ লগে লগে তেওঁ গৈ থাকিল যৌৱনৰ সেই মাদকতাপূৰ্ণ দিনবোৰলৈ।

সেই সময়ছোৱাত ৰাগিণী বৰুৱা নামৰ আজিৰ গম্ভীৰ দায়িত্বশীল মহিলাগৰাকী এজনী চঞ্চলা কিশোৰী আছিল। কলেজৰ লগৰবিলাকৰ মাজত জনপ্ৰিয় ৰাগিণী আছিল হাঁহিৰ খোৰাক, আড্ডাৰ মধ্যমণি। সেই বছৰ ৰাগিণী স্নাতক প্ৰথম বৰ্ষলৈ উত্তীৰ্ণ হৈছিল। কলেজৰ ক্লাছ আৰু আনন্দৰ মাজত দিনবোৰ কাঁড়ৰ দৰে আগবাঢ়িছিল। সকলোৰে লগত বন্ধুত্ব থকা সত্বেও সিহঁতৰ এটা গ্ৰুপ আছিল। তিনিজনী ছোৱালী আৰু দুজন ল'ৰা। ইহঁত পাঁচজনৰ মাজত কোনো কথা গোপন নহৈছিল। ইটোৰ ঘৰৰ সামান্য কিবা এটা হ'লেও আনটোৱে গম পাইছিল। সিহঁতে যেন এক অলিখিত দলিলত চহী কৰি থৈছিল সদায় বন্ধুত্ব ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিৰে। এই আনন্দৰ সময়বোৰতে ৰাগিণীৰ ঘৰৰ মানুহে তাইৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত তাই নজনাকৈ তাইৰ অনুমতি অবিহনে লৈ পেলালে। তাইক মাত্ৰ খবৰ দিয়া হ'ল— তাই যেন নিৰ্দিষ্ট দিনত ঘৰলৈ আহে। সেইবাবে তাই নিৰ্দিষ্ট দিনত ঘৰলৈ গ'ল। যথাসময়ত দেৱব্ৰত আৰু তেওঁৰ ঘৰৰ মানুহ আহিল। যন্ত্ৰচালিত ৰবটৰ দৰে মেখেলা-চাদৰ পিন্ধি তাই আলহীৰ আগত ওলাল। সুন্দৰ, নিষ্পাপ আৰু অত্যন্ত বিনয়ী ৰাগিণীক তেওঁলোকৰ পচন্দ হ'ল। সেইদিনাই ৰাগিণীক বোৱাৰী কৰাৰ প্ৰতিশ্ৰুতি দিলে। দেৱব্ৰতৰ লগত কথা পতাৰ পাচত তাইৰ সংবেদনশীল মনটোৱে কৈছিল— দেৱব্ৰতে অন্ততঃ কিছুমান কথা লুকুৱাই ৰাখিছে; কিন্তু দেৱব্ৰতৰ চাকৰি, বংশ মৰ্যাদা আদিৰ বাহিৰে মাক-দেউতাকে সেইবোৰ লক্ষ্যই কৰা নাই। ইঞ্জিনিয়াৰ জোঁৱাই পোৱাৰ আনন্দত অধীৰ মাক-দেউতাকৰ আগত তাই কোনো আপত্তি নকৰিলে। তাইৰ সন্মতিৰ প্ৰয়োজনবোধ নকৰা দেউতাকে এবাৰো নুসুধিলে তাইৰ মত আছে নে নাই? মাকে মাত্ৰ কৈ পঠালে অলপ শান্ত হ'বলৈ আৰু আগৰ দৰে উৎপাত নকৰিবলৈ; কাৰণ কিবা কাৰণত বিয়া ভাঙিলে তেওঁলোকৰ সন্মান লাঘৱ হ'ব।

আকৌ ৰাগিণীয়ে ক্লাছ কৰিব ধৰিলে। কিন্তু তাইৰ আগৰ সেই প্ৰাণোচ্ছল স্বভাৱটো নোহোৱা হ'ল। তাৰ ঠাইত গাম্ভীৰ্যই ঠাই ল'লে। সকলোৰেই চকুত পৰিল কথাটো। কোনোবাই সুধিলে ৰাগিণীয়ে গা বেয়া বুলি কৈ আঁতৰি আছে। এদিন কেণ্টিনত সিহঁতৰ লগৰকেইটাই আড্ডা দি আছিল। ৰাগিণীক নিঃশ্চুপ দেখি চিমিয়ে সুধিলে—

ঃ ৰাগিণী, মই কেইবাদিনৰপৰা লক্ষ্য কৰি আছোঁ, তই আমাৰপৰা কিবা লুকাইছ! কি হৈছে তোৰ?

ঃ একো হোৱা নাই। কি হোৱা দেখিলি?

—শেতা হাঁহি মাৰি ৰাগিণীয়ে ক'লে।

ঃ নহয়, তোৰ কিবা হৈছে। কৈ দে ৰাগিণী কি হৈছে?

চিমিয়ে সুধি থকাত তাই বিয়া ঠিক হোৱা কথাটো কৈ পেলালে। গোটেইকেইটাই জকজকাই উঠিল। চৰ্টটেম্পাৰ নামে জনাজাত চিমিয়ে ক'লে— 'তই পাগল হৈছ নেকি, ইমান সৰুতে বিয়া হ'বলৈ?'

চিমিৰ কথাই ৰাগিণীৰ ধৈৰ্যৰ সীমা ভাঙি দিলে। পাৰ ভাঙি অহা নদীৰ সোঁতৰ দৰে তাইৰ অশ্ৰু বাগৰি আহিল। টেবুলত মূৰ থৈ তাই বহুদিন জমা হৈ থকা কান্দোনবোৰ উলিয়াই দিলে। কলেজীয়া জীৱনৰ তিনি বছৰত সিহঁতে প্ৰথমবাৰৰ বাবে ৰাগিণীক কন্দা দেখিলে সিদিনা। সেই মুহূৰ্তত সিহঁতে কেৱল ৰাগিণীৰ কান্দোন শুনিলে। কিন্তু আন এজনৰ অন্তৰৰ কান্দোন সিহঁতে নুশুনিলে। তাই পুনৰ ক্লাছ কৰিবলৈ ল'লে। সেইদিনাৰপৰা সিহঁতৰ গ্ৰুপৰ অভিনৰ কলেজলৈ অহা নাছিল। সেই কথাটো ৰাগিণীৰ চকুত পৰিছিল। অভিনৱক চাফা ল'ৰাটো বুলিয়ে জানে। সি সকলো ক্ষেত্ৰতে সাংঘাতিক চাফা। এসপ্তাহৰ মূৰত সি যি অৱস্থাৰে কলেজলৈ আহিল, তাক দেখি সকলো আচৰিত। তাৰ মুখত কেইবাদিনো চেভ নকৰা দাড়ি, মলিয়ন চাৰ্ট, নফণিওৱা চুলি, এক উদভ্ৰান্ত চেহেৰা। আহিয়েই সি কথা এটা আছে বুলি ৰাগিণীক কেণ্টিনলৈ লগ ধৰিলে। প্ৰায় পোন্ধৰ মিনিটমান সময় সি উচ্‌পিচ কৰিয়েই কটাই দিলে। বহুত দেৰিৰ মূৰত ৰাগিণীৰ চকুলৈ চাই

ক'লে—

ঃ ৰাগিনী, তুমি বিয়া হ'ব নোৱাৰা।

ঃ কিয়? —ৰাগিনীয়ে তাৰ আচৰণত আশ্চৰ্য প্ৰকাশ কৰি ক'লে।

ঃ কিয় প্ৰশ্ন নাহে। তুমি মোক মাত্ৰ পাঁচ বছৰ সময় দিয়া প্ৰতিষ্ঠিত হ'বলৈ।

ঃ তুমি এইবোৰ কি কৈছা মই একো বুজা নাই অভিনৱ।

ঃ মই তোমাক ভালপাওঁ ৰাগিণী। বহুত ভালপাওঁ।

হঠাতে ৰাগিণী কঁপি উঠা যেন পালে। অভিনৱৰ কথাই তাইক মুহূৰ্তৰ কাৰণে বোবা কৰি পেলালে। বিনয়ী বুলি জনাজাত ৰাগিণীৰ অভিনৱৰ ওপৰত সাংঘাতিক খং উঠি গ'ল। তাই ক'লে—

ঃ অভিনৱ, মই তোমাক মোৰ বন্ধু বুলি ভাবোঁ। অথচ তুমি মোক এনেকুৱা কথা কৈ দিব পাৰিলা! দৰাচলতে তুমি বন্ধু হোৱাৰ যোগ্যই নহয়। আজিৰপৰা তোমাৰ-মোৰ বন্ধুত্ব শেষ।

মাত্ৰ এষাৰ কথাতে সিদিনা তাই আৰু অভিনৱৰ তিনিবছৰীয়া গভীৰ বন্ধুত্ব শেষ হৈ পৰিল। কিয় সিদিনা তাইৰ খং উঠিছিল তাই নিজেই নাজানে। তাইতো তাক ভালদৰেই বুজাই দিব পাৰিলেহেঁতেন। প্ৰথম বৰ্ষৰ পৰীক্ষা দিয়াৰ পিচত তাইৰ বিয়া হৈ গৈছিল দেৱব্ৰত বৰুৱাৰ সৈতে। বিয়া হোৱাৰ পিচত প্ৰথম বছৰ ভালদৰে গ'ল। কিন্তু লাহে লাহে দেৱব্ৰতৰ আচল স্বৰূপ তাই গম পালে। সি তাৰ ক'লা টকাৰ বেছি অংশ মদ আৰু ছোৱালীৰ কাৰণে খৰচ কৰিছিল। তাই তাৰ এই অভ্যাসবোৰ দূৰ কৰিবৰ চেষ্টা কৰাৰ ফলত মাৰ খাবলগাও হৈছিল। এইবোৰকে লৈ ভীষণ অশান্তিৰ মাজতে বিয়াৰ দুবছৰ পাচত তাই মাক হ'ল। সিহঁতৰ যুগ্ম জীৱনৰ স্বাক্ষৰ কণমানিটোলৈ চাই দেৱব্ৰত ভাল হ'ব বুলি আশা কৰিছিল; কিন্তু সেয়া নহ'ল। শাহুৱেক-শহুৰেকৰ মৰমত তাই শান্তি বিচাৰি পাইছিল। দেৱব্ৰত ইমানেই নিৰ্দয় আছিল যে, কেতিয়াবা মদ খাই মন গ'লে তাইক ৰুমৰপৰা উলিয়াই দুৱাৰ বন্ধ কৰি শুই থাকিছিল। সেই সময়ত কণমানি নীহাৰে সাৰ পাই মাকক নাপাই কান্দিছিল আৰু বাহিৰত কান্দিছিল তাই। ওৱে নিশা মাতৃ-সন্তানক বেলেগে থৈ সি ফুৰ্তি পাইছিল।

এইদৰে নীহাৰৰ তিনিবছৰ বয়সত দেৱব্ৰত নামৰ মানুহৰূপী অসুৰটোৱে তাইক চৰম আঘাত দিছিল। যাৰ ফলত তাই সেই ঘৰখনেই এৰি দিবলগাত পৰিল। এদিন অফিচৰপৰা ঘূৰি আহোঁতে লগত সি এজনী ছোৱালী লৈ আহিছিল। আহি সি ঘোষণা কৰিছিল যে, জীনা মানে সেই ছোৱালীজনী তাৰ পত্নী। মন্দিৰত সিহঁতৰ বিয়া হৈ গৈছে। তাই তাৰ আচল পত্নী। ৰাগিণীক ৰুমৰপৰা উলিয়াই দি সি তাইৰ বস্তুবোৰো ৰুমৰপৰা দলিয়াই দিছিল। ওৱে ৰাতি শাহুয়েকৰ ওচৰত কান্দি তাই পিচদিনাই সেইখন ঘৰক চিৰদিনৰ বাবে বিদায় জনাই নীহাৰক বুকুত বান্ধি মাকৰ ঘৰলৈ গুচি আহিছিল। ৰাগিণীৰ মাক-দেউতাকে নিজৰ ভুল বুজি পাইছিল আৰু জীয়েকৰ এই অৱস্থাৰ বাবে নিজকে দায়ী কৰিছিল। মাক-বাপেকৰ জোৰতে তাই বি.এ. সম্পূৰ্ণ কৰিলে। তাৰ পাচত ওচৰৰ প্ৰাইভেট স্কুল এখনত সোমাইছিল।

এই ঘটনাৰ মাজেৰে পাঁচ বছৰ পাৰ হৈ গ'ল। এইবাৰ তাইৰ স্বামী দেৱব্ৰত বৰুৱাই তাইৰ জীয়াই থকাৰ প্ৰেৰণা নীহাৰকো কাঢ়ি নিবলৈ ল'লে। বহু কষ্ট পালেও তাই নীহাৰৰ মুখখনকে চাই জীয়াই আছিল; কিন্তু দেৱব্ৰতে টকাৰ বলেৰে কোৰ্টৰ সহায় লৈ নীহাৰক কাঢ়ি নিলে। আইন-আদালত যে অন্ধ, তাইৰ সেইদিনা বিশ্বাস হৈ গ'ল। নীহাৰক লৈ যোৱাৰ এক বিশেষ উদ্দেশ্য আছিল। দেৱব্ৰতৰ দেউতাকে তেওঁৰ সমস্ত স্থাৱৰ-অস্থাৱৰ সম্পত্তি নাতিয়েক নীহাৰৰ নামত লিখি দিছিল। সেই সম্পত্তি ৰাগিণীয়ে পাব বুলি জীনাৰ পৰামৰ্শ মতে নীহাৰক লৈ যোৱা হ'ল। নীহাৰক লৈ যোৱাৰ পাচত ৰাগিণীয়ে সেই ঠাই এৰি ৰোকাঙলৈ আহিল। তাই বৰ্তমান এটা এন.জি.অ.' চলায়। সিহঁতে বিভিন্ন প্ৰজেক্টৰদ্বাৰা অনুন্নত মানুহক স্বাৱলম্বী হোৱাত সহায় কৰে।

এন. জি. অ'.টোৰ প্ৰধান সহায়ক হ'ল অভিনৱ। সেই অভিনৱ, যাৰ প্ৰথম প্ৰেমক ৰাগিণীয়ে দলিয়াই দিছিল। সি সেই সময়ত সেই জিলাৰ বিষয়া আছিল আৰু ভাঙি পৰা ৰাগিণীক এন. জি. অ'.টো চলোৱাত সহায় কৰিছিল।

এই পাৰ হৈ যোৱা দিনবোৰত তাই কামত ইমানেই নিমগ্ন হৈছিল যে, তাই নিজৰ অতীতটো পাহৰি পেলাইছিল। এই সময়খিনিত তাই মাত্ৰ এবাৰ ঘৰলৈ গৈছিল, দেউতাকৰ মৃত্যুত। মাত্ৰ এনিশা থাকিয়ে তাই গুচি আহিছিল, কাৰণ তালৈ গ'লে তাইৰ কাণত বাৰে বাৰে 'মা' শব্দটো ভাহি উঠে। দহ বছৰ এই শব্দটো শুনা নাই। কিন্তু যোৱাকালি তাইৰ নামত অহা এখন চিঠিয়ে তাইৰ সকলো ভাবনাত আউল লগাইছে। চিঠিখন খুলি পঢ়া মাত্ৰকে তাই কঁপি উঠিছিল। বহুদিন নকন্দা তাইৰ চকুহাল তিতি উঠিছিল। চিঠিখন তাইৰ পুত্ৰ নীহাৰে লিখিছে। আঠ বছৰ বয়সত এৰি অহা তাইৰ সেই কণমানি ল'ৰাটোৱে অতি মৰম আৰু শ্ৰদ্ধাৰে লিখিছে—

*মোৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ মামণি। সৰুতে তোমাক মই এনেকৈয়ে মাতিছিলোঁ, নহয়নে?*

মোৰ ভাল। তোমাৰ বাৰু ভালনে? তুমি চাগে' ভাবিছা তোমাৰ কণমাণি জোনে কেনেকৈ তোমালৈ চিঠি লিখিছে! পাহৰি নাযাবা মা, মোৰ বয়স বৰ্তমান সোতৰ বছৰ আৰু মই উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা দিছোঁ। তুমিতো মোক সেই সৰুতেই এৰি যোৱা। মোৰ আজিও মনত আছে সেই সময়ৰ কথা। মোৰ দেউতা দেৱব্ৰত বৰুৱাই তোমাৰপৰা মোক লৈ অহাৰ সময়ত তোমাৰ আচৰণ মোৰ ভালদৰে মনত আছে। তুমি সেইদিনা মোৰ মুখলৈ চাই ওৰে নিশা পাৰ কৰিছিলা। তুমি মোক বুকুত সুমুৱাই লৈছিলা আৰু চকুৰ পানীৰে ভগৱানৰ চৰণ ধুৱাইছিলা; কিন্তু তোমাৰ আৰাধ্য ভগৱানে সেইদিনা তোমাৰ কথা নুশুনিলে। দেউতা আৰু জীনা মা আহি মোক লৈ গৈছিল। তুমি পাগলীৰ দৰে দেউতাৰ চৰণত পৰিছিলা মোক নিনিবলৈ; কিন্তু তেওঁ মোক লৈ আহিছিল তোমাৰ ক্ষমতাক তাচ্ছিল্য কৰি। তুমি নাভাবিবা, জোনে তোমাক পাহৰি গ'ল বুলি। এই সময়খিনিত তোমাৰ আঁচল, মুখ লুকুৱাবলৈ তোমাৰ বুকু, ঠেহ পাতিলে অভিমান ভঙা তোমাৰ হাঁহিৰ অভাৱ মই প্ৰতিদিনে অনুভৱ কৰিছোঁ। জানা মা, দেউতাই মোক অত্যন্ত মৰম কৰে; কিন্তু মোৰ কৰণে তুমি সদায় উচ্চ, কাৰণ তুমি মোৰ মামণি। মা, তোমাক দেউতাই আঘাতৰ পিচত আঘাত দিলে। শুনি আচৰিত হ'বা মা, যিজনী ছোৱালীৰ বাবে দেউতাই তোমাক এৰি দিলে, সেই জীনা মা এতিয়া দেউতাৰ লগত নাথাকে। দেউতাক পৰিত্যাগ কৰি গুচি গ'ল। ককা ঢুকোৱা বহুদিন হ'ল মা। আইতা পেহীৰ লগত থাকে। তুমি বেয়া নাপাবা। দেউতাই তোমাক কৰা অন্যায়ৰ প্ৰতিশোধ মই ল'ব ওলাইছোঁ। মোক দেউতাৰ সহায় অকণো নালাগে।

মা, মই তোমাৰ ওচৰলৈ গুচি যাম একেবাৰে। অহা পোন্ধৰ তাৰিখে মই তোমাৰ তালৈ যাম। আদৰি নল'বা জানো তোমাৰ জোনক? গভীৰ মমতাৰে সাৱটি নল'বা জানো মা মৰম বঞ্চিত সেই অভিমানী ল'ৰাটোক? মোৰ যে বহু কথা আছে তোমাক ক'বলৈ। তুমি বহু অকলশৰীয়া জীৱন কটালা মা। এতিয়া মই যাম তোমাৰ জীৱনৰ অংশীদাৰ হ'বলৈ।

অহা মাহৰ পোন্ধৰ তাৰিখে লগ পাম দেই। তুমি মোক চিনি পাবানে চাম বাৰু।

—তোমাৰ জোন (নীহাৰ)

বহু দেৰিৰ মূৰত ৰাগিণী স্মৃতিৰ কোলাৰপৰা ওলাই আহিল। তেওঁৰ চকু দুটা বাৰে বাৰে পানীৰে ভৰি উঠিছিল। আজি পোন্ধৰ তাৰিখ। ডাক বিভাগৰ খেলি-মেলিৰ বাবে চিঠিখন তাই কালিহে পাইছে। চিঠিৰ মতে জোন আজি আহিব। জীৱনত কেৱল সংঘাত পাই অহা ৰাগিণীয়ে যেন শেহতীয়াকৈ হ'লেও সফল হৈছে। তাই গৈ গা ধুই আহি ভগৱানৰ ওচৰত ধন্যবাদ জনালে। কথাবোৰ গুণা-গঁথা কৰি থাকোঁতে ভাজ-আঞ্জা ৰন্ধা হৈ গ'ল। এইবাৰ তাই বাহিৰৰ চকীত বহি জোনলৈ অপেক্ষা কৰি ৰ'ল।

অলপ সময়ৰ পাচত হাতত এটা বেগ লৈ এজন সুন্দৰ ল'ৰা আগবাঢ়ি আহি তাইৰ ঘৰৰ পদূলিৰ গেটত হাত থ'লে। দহ বছৰ নেদেখিলেও তাই চিনি পালে সেয়া তাইৰ জোন। সৰুতে সকলোৱে মাকৰ নিচিনা হ'ব বুলি কোৱা জোন সঁচাকৈয়ে তাইৰ নিচিনা। জীৱনত যুঁজি যুঁজি সৰ্বস্বান্ত হোৱা ৰাগিণীয়ে আজি জীয়াই থকাৰ কাৰণে যেন অকণমান সুখৰ ৰেঙণি দেখা পালে।●

# নতুন প্ৰজন্মৰ ভৱিষ্যৎ ঃ পঞ্চশীল নীতিৰ প্ৰয়োগ

নতুন প্ৰজন্মই ভৱিষ্যৎ জীৱনত নিৰ্ধাৰিত মূল পাঁচটা বিষয়ৰ উপলব্ধি কৰাটো অতি আৱশ্যক—

- **শাৰীৰিক শিক্ষা ঃ** সুস্থ মনৰ কাৰণে সুস্থ শৰীৰ অতি আৱশ্যক। নিয়মিত ব্যায়াম আৰু খেলা আৱশ্যক; যাৰপৰা আমাৰ ভিতৰত সাহস, ধৈৰ্য, দেশভক্তি, অনুশাসন আৰু চৰিত্ৰ নিৰ্মাণ হয়।
- **যোগ শিক্ষা ঃ** যোগ শিক্ষাৰদ্বাৰা মগজুৰ শক্তি, মনৰ একাগ্ৰতা আৰু স্মৰণ শক্তি বাঢ়ে।
- **নৈতিক শিক্ষা আৰু আধ্যাত্মিক শিক্ষা ঃ** মনক সংযমী, সৎ চিন্তা, সংস্কাৰযুক্ত আৰু ঈশ্বৰ প্ৰতি ভাব-ভক্তি আদি গুণ নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰপৰা লাভ কৰা হয়।
- **সংগীত শিক্ষা ঃ** সংগীতৰপৰা মন সংবেদনশীল হয়; যাৰপৰা পৰস্পৰৰ মাজত মৰমৰ ভাব জাগৃত হয়।
- **সংস্কৃত ঃ** আমাৰ প্ৰাচীন সংস্কৃতিৰ মূল আধাৰ সংস্কৃত। ইয়াক অধ্যয়ন কৰিলে দেশৰ অতীত গৌৰৱৰ ৰস লাভ হয় তথা ভাৰতীয় বুলি গৰ্ব কৰিব পাৰি।

# চিনাকী নদীৰ ঘাট

মৌচুমী দাস
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

কলিকতাৰ ওচৰৰ হুগলি নদীৰ পাৰৰ এটা সৰু নদীৰ ঘাট। ইয়াৰ পাৰত বিভিন্ন মঠ-মন্দিৰ, সদায় দিনে-ৰাতি পূজা-পাতল চলি থাকে। এই মন্দিৰবিলাকত নদীৰ পাৰত থকা নানা ধৰণৰ ফুলৰ দোকান সদায় মন্দিৰলৈ অহা মানুহবোৰে মালা আদি কিনি পূজা কৰে। কিছুমান বিয়া আদিও সম্পন্ন হয়। এই মন্দিৰবোৰৰ কাষত নিতৌ গা ধোৱা, কাপোৰ ধোৱা, বিয়াৰ পানী তোলা আদি সকলো কামতে এই ঘাটৰে পানীত ব্যৱহাৰ কৰে। সুন্দৰ ইয়াৰ পৰিৱেশ। নদীৰ পাৰত বহি কিছুমান মানুহে আনন্দ উপভোগ কৰে। মৌচুমী বতাহ, সাগৰৰ ঢৌ বাঢ়িলে নদীৰ পানী তৰংগৰ সৃষ্টি কৰে। এইখন চহৰৰে এখন সৰু গাঁও। এই গাঁওখনৰে ছোৱালী এজনীয়ে নদীৰ পাৰত সদায় ফুল বিক্ৰী কৰে। তাইৰ নাম আছিল চম্পাৱতী। সৰু কাঠৰ চালপীৰা এখন পাৰি তাই সদায় পুৱাৰপৰা ফুল বিক্ৰী কৰে। তাই ফুলবিলাক ওজন হিচাপত কিনি মালা গাঁথি বিক্ৰী কৰে। তাইৰ পৰিয়াল বুলি ক'বলৈ গ'লে ভায়েক এজনেই মাত্ৰ। মাক-দেউতাক গাড়ী দুৰ্ঘটনাত ঢুকাল। সৰুৰেপৰা নানা কষ্ট কৰি ভায়েকক স্কুলত পঢ়ুৱায়। তাই দশম শ্ৰেণীত পঢ়ি থাকোঁতেই মাক-দেউতাকৰ গাড়ী দুৰ্ঘটনাটো হয়। তেতিয়াৰপৰাই তাই এই নদীৰ পাৰত ফুল বিক্ৰী কৰিবলৈ আৰম্ভ কৰে। তেতিয়াৰপৰা ফুল বিক্ৰী কৰি তাই ভায়েকক ভাল ডাক্তৰ বা ইঞ্জিনিয়াৰ কৰিবলৈ চেষ্টা



কৰিলে। তাই নিজৰ ঘৰখনৰ খৰচৰ বাহিৰেও ভায়েকক পঢ়ুৱায়ো টকা-পইচা জমা কৰিছিল। তাইৰ ভায়েকৰ নাম আছিল সীমান্ত। পঢ়াত সি অতি তীক্ষ্ণ আছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেইবাটাও বিষয়ত লেটাৰ মাৰ্ক লৈ পাছ কৰিছিল। চম্পাৱতীয়ে আনন্দত আগতকৈ পৰিশ্ৰম কৰি ভায়েকৰ পঢ়াৰ নামত টকা জমা কৰিবলৈ ধৰিলে। তাই অতি সুন্দৰ আছিল। চুলিকোছা কঁকালত পৰা, গাল দুখন যে চিকুট মাৰিলে তেজ ওলোৱাৰ দৰে চেহেৰা আছিল। বহুত ডেকা ল'ৰাই তাইক বিয়া কৰাবলৈ প্ৰস্তাৱ দিছিল। কিন্তু তাই কোনোদিনেই কাৰো কথাত মন নিদিলে। কিছুমান ল'ৰাই তাইৰ ফুলৰ দোকানত ফুলৰ দাম সোধে। ফুল কিন্তু নিকিনে। মাত্ৰ তাইক চাবলৈহে যায়। সীমান্তই হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত লেটাৰ নম্বৰসহ ভালদৰে পাছ কৰি ডাক্তৰ পঢ়িবলৈ যোগ্যতা অৰ্জন কৰিলে। সীমান্তই বায়েকৰ কথাবিলাক সদায় মনত ৰাখিছিল। বায়েকে কৈছিল— "তুমি ভাল মানুহ হ'ব লাগিব। সকলোৰে ভাল কথা-বতৰা আৰু ভাল ডাক্তৰ হ'ব লাগিব।" সি বায়েকৰ কথা সদায় মানি চলিছিল। সময়ত সীমান্তই ডাক্তৰ পাছ কৰি ওলাল। সিহঁতৰ ঘৰ বুলিবলৈ দুটা ৰুমৰ মাত্ৰ এটাই ঘৰ। ভাত ৰন্ধা ৰুম বেলেগ। এইখিনিয়ে মাক-দেউতাকৰ সম্পত্তি। চম্পাৱতীয়ে একো কৰা নাই, মাত্ৰ ভায়েকৰ নামতে টকা জমা কৰিছিল। হঠাৎ এদিন সীমান্তই তাৰ চিনিয়ৰ ডাক্তৰ এজনৰ লগত সেই নদীৰ ঘাটলৈ গ'ল। বেমাৰী চাবলৈ চিনিয়ৰ ডাক্তৰজন সীমান্তৰ লগত গৈছিল। ডাক্তৰজনৰ নাম আছিল নৰেন সেন। বেমাৰ চাই সীমান্তই বায়েকৰ দোকানলৈ গ'ল। চাৰিওফালে ফুলৰ মালাৰে আৱৰি ৰাখিছে দোকানখন। মানুহৰ ভিৰ। সীমান্তৰ পিচে পিচে নৰেন সেন গ'ল। সীমান্তই বাইদেউ বুলি মাত লগালে। নৰেন সেন আচৰিত। সি হঠাৎ কৈ উঠিল— "সীমান্ত, এয়াই তোমাৰ বাইদেউ?" চম্পাৱতীৰ চকু গ'ল সেই ডাক্তৰজনলৈ। হাতেৰে প্ৰণাম জনালে আৰু বহিবলৈ ক'লে। সীমান্তই ক'লে— এইজনীয়ে মোৰ মা, বাইদেউ, মোৰ সকলো। এই ফুল বিক্ৰী কৰিয়ে মোক আজি সমাজ সেৱা কৰিবলৈ ডাক্তৰ কৰিলে। গতিকে এই বাইদেউৰে মোৰ সকলো।" দুয়ো বন্ধুৱে কথা পাতি থাকোঁতে চাহ লৈ আহি চম্পাৱতীয়ে খাওক বুলি আগবঢ়াই দিলে। সীমান্তই ক'লে— "বাইদেউৱে নিজৰ কথা চিন্তাই কৰা নাই। বিয়া হ'ব দিলে খং কৰে।" তাৰ পিচত চাহ খাই উঠি তাৰপৰা সিহঁতে বিদায় ল'লে। নৰেন সেনে তেতিয়াও বিয়া কৰোৱা নাছিল। হঠাৎ এদিন সীমান্তহঁতৰ ঘৰত যাম বুলি নৰেনে ক'লে। তাৰিখ এটা ঠিক কৰি দুয়ো বন্ধু সীমান্তৰ ঘৰলৈ গ'ল। সেইদিনাখন চম্পাৱতী ফুলৰ দোকানলৈ নগ'ল। ঘৰতে থাকিল আৰু সকলো বস্তুৰ আয়োজন কৰি ৰাখিছিল। দুয়ো সীমান্তৰ ঘৰ পালে। বায়েকৰ ৰূপ আৰু কথা-বতৰাত সন্তুষ্ট হ'ল। নৰেনে চম্পাৱতীক বিয়া কৰোৱাৰ কথা ক'লে। চম্পাৱতী নিমাত। তেতিয়া ভায়েকে মাত লগালে— "বাইদেউ, মই এতিয়া ডাক্তৰ, মোৰ কথা ভাবিব নালাগে। বিয়াত সন্মতি প্ৰকাশ কৰিব লাগে।" ভায়েকৰ কথা ৰাখি চম্পাই বিয়াত সন্মতি প্ৰকাশ কৰিলে। আৰু সময়ত বিয়া হ'ল। নৰেন আৰু চম্পাৰ প্ৰথম চিনাকী এই নদীৰ পাৰত, গতিকে দুয়ো এই নদীৰ ঘাটটোকে চিনাকী নদীৰ ঘাট বোলে। ❁

---

# মহৎ লোকৰ চৰিত্ৰ আৰু ব্যক্তিত্বত থকা মহৎ গুণসমূহ


- কঠোৰ পৰিশ্ৰম
- যথাৰ্থ ভদ্ৰতা
- অধ্যৱসায়
- যথাৰ্থ শিষ্টাচাৰিতা
- আত্মত্যাগৰ মনোভাব
- যথাৰ্থ সাহস
- কৰ্তব্য পৰায়ণতা
- বিফলতাক অতিক্ৰম কৰাৰ অটল মানসিকতা
- বিনয়ী মনোভাব
- নিৰহংকাৰী মনোভাব
- শোভনীয় আচৰণ
- সৎ আৰু আদৰ্শ চৰিত্ৰ
- আত্মসংযম
- অসীম ধৈৰ্য
- সত্যবাদিতা
- দয়াৰ মনোভাব আৰু
- সৌন্দৰ্যময় আৰু আকৰ্ষণীয় ব্যক্তিত্ব

# বালিঘৰ

মৰমী দাস
উঃ মাঃ প্ৰথম বৰ্ষ

নৈৰপাৰৰ বালি শুকান, ঝৰ্‌ঝৰীয়া। মানুহে তাত বালিঘৰ সাজে আৰু বাৰে বাৰে ভাঙি যায়। মণিৰ জীৱনটোও জানো বালিঘৰৰ দৰে নহয়! জীৱনত বিচাৰিলে কি? কিন্তু পালে কি? মাথোঁ হতাশা, নিৰাশা, বেদনাভৰা অশ্রু আৰু শেষত আঁকোৱালি ল'লে মৃত্যুক। সেয়ে মানুহৰ জীৱনত যৌৱন বোলা সময়খিনি বৰ জংঘলীয়া, কাঁইটেৰে ভৰা, খলা-বমা। যিয়ে সেই সময়খিনিত নিজৰ মনটো সুস্থিৰভাৱে ৰাখিব পাৰে, তাৰ জীৱনত কোনো বালিঘৰৰ ছাঁ পৰিব নোৱাৰে।

মণি প্ৰেৰণাৰ সৰুকালৰ বান্ধৱী। অকল বান্ধৱীয়েই নহয়, সুখ-দুখ, হাঁহি-কান্দোন; কিন্তু নিয়তিৰ কি পৰিহাস, মোৰ মণিজনীক কিয় এই পৃথিৱীৰপৰা লৈ গ'লা প্ৰভু! তাই যে জীৱনত একো নাপালে। কিয় আজি তাইৰ অতীত স্মৃতিবোৰ মনলৈ বাৰে বাৰে আহি আছে! জীৱনত কৰা এটি ভুলৰ বাবে তাই ইমান কষ্ট পালে আৰু সেই কষ্টৰ ওৰ পৰিল মৃত্যুৰ পিচতহে।



মণিয়ে মৃত্যুৰ আগমুহূৰ্তত দি থৈ যোৱা সেই হীৰা-মুকুতাতকৈয়ো চেনেহৰ তাইৰ সেই কণমানিজনী, মই তাইক সঁচাই তাই বিচৰাৰ দৰে জীৱনত সুখ দিব পাৰিমনে? মণি, তুমি সৰগৰপৰাই আশীৰ্বাদ কৰি থাকা আৰু তুমি চোৱা আজি তোমাৰ কণমানিজনী তুমি যে বিচাৰিছিলা ডাক্তৰ হোৱা, আজিৰ তাইৰ ডাক্তৰী জীৱনৰ প্ৰথম দিন। সেই

এবছৰৰপৰাই মই তাইক কিমান কষ্টেৰে ডাঙৰ-দীঘল কৰিলোঁ, তাৰ ফল আজি মই পালোঁ। মণি, তোমাৰ ছোৱালীয়ে কোনোদিনে নাজানে যে তাই মোৰ ঔৰসজাত সন্তান নহয়। আৰু মই সেই কথা কেতিয়াও অনুভৱ কৰিবলৈ নিদিওঁ।

তোমাৰ আৰু মোৰ অতীতৰ কথাবোৰে কেতিয়াবা মোক বৰ আমনি কৰেঅ'। মণি, তুমি নোহোৱা বাবে মোৰ মনৰ কথা ক'বলৈও কোনো নাই। তুমি তোমাৰ মৰমৰ দুলৰ লগত নিজ ইচ্ছা মতে নিজৰ মা-দেউতাক এৰি থৈ বিয়া হ'লা। আৰু বিয়াৰ মাথোঁ দুটি বছৰৰ পিচত তোমাৰ মৃত্যু হ'ল। দুল এজন মদাহী, জুৱাৰী; যাক তুমি চিনি নাপালা। দুলে কেৱল মদ আৰু জুৱাৰ বাদে একো চিনি নাপালে। সকৰেপৰা ভালপোৱা সেই মণিজনীক দুটি বছৰত যিমান দুখ-কষ্ট দিলে, সেয়া সীমাহীন দুখ-যন্ত্ৰণা। যিয়ে জীৱনত বহুত কিবা-কিবি কৰিম বুলি ভাবিছিল, যাক লৈ সপোন ৰচিছিল।

সেয়া সকলো বালিঘৰ হ'ল। সপোনৰ কাৰেং বা দিঠকৰ ৰাজপ্ৰাসাদ নহ'ল। মণিয়ে প্ৰেৰণা হাতত দি থৈ গ'ল মণি আৰু দুলৰ প্ৰেমৰ সাক্ষী কণমানিজনীক। প্ৰেৰণাৰ তেতিয়া এজনী গাভৰু ছোৱালী, এফালে ঘৰ-সংসাৰ আৰু আনফালে বান্ধৱীৰ দায়িত্ব। সেই গাভৰু ছোৱালীজনীয়ে এজনী এবছৰীয়া সন্তানৰ মাক কিদৰে হ'ব। মনতে বহুতো চিন্তা কৰি প্ৰেৰণাই নিজকে প্ৰস্তুত কৰি ল'লে— মণিৰ সেই সন্তানটি তাইৰ নিজৰ কৰি ল'বলৈ। প্ৰেৰণা আছিল মণিতকৈ সম্পূৰ্ণ বিপৰীতধৰ্মী। যিয়ে সৰুৰেপৰাই কেৱল মাকৰ কথাৰ বিপৰীতে কোনো কাম কৰা নাই। মাকৰ কথা মতে তাই ৰাকেশক ভাল নাপালে। যিজন ৰাকেশে তাইক নটা বছৰে অপেক্ষা কৰিলে মাথোঁ এটি উত্তৰৰ বাবে।


প্ৰেৰণাই ৰাকেশক বুজি পায় জীৱনত এনেকুৱা ল'ৰা পোৱাটো চিনি যিয়ে দুখৰ দিনত লগ দিয়ে। কিন্তু মাকৰ আশীৰ্বাদ অবিহনে যেন এই পৃথিৱীৰ প্ৰত্যেকজন ব্যক্তিৰ জীৱন অন্ধকাৰ বুলি ভাবে প্ৰেৰণাই। সেয়ে তাই ৰাকেশক ভাল নাপালে আৰু মাকৰ ইচ্ছামতে বিয়া হ'ল এজন অচিন ল'ৰালৈ আৰু সেই অচিন ঘৰলৈ গৈ গ'ল মণিৰ সেই কণমানিজনীক, যাক নিজৰ বুলি আঁকোৱালি মণিৰ সপোন দিঠকত পৰিণত কৰিলে; কিন্তু প্ৰেৰণাৰ অতীত স্মৃতি হ'ল ৯ বছৰে অপেক্ষা কৰা ৰাকেশজন আৰু মণিৰ মৃত্যুৰ সেই কঠোৰ যন্ত্ৰণা। যি নৰক কুণ্ডতকৈও কঠোৰ গিৰিয়েকৰ অত্যাচাৰ, মণিৰ দুলক লৈ কৰা আৰু কণমানিজনীক লৈ কৰা সপোনবোৰ বালিঘৰহে হ'ল। ●

# VEDANTA

- Respect yourself first, only then can you respect others.
- One can have faith in others if he has faith himself.
- Be like a lion-fearless and alone.
- Accept Truth, else you are dead.
- Analyse yourself than analysing others.

# সময়

জয়দেৱ বায়ন
স্নাতক তৃতীয় বৰ্ষ



টে.... টে.... টে.... টে....

সদায়ে নিৰ্দিষ্ট সময়ত প্ৰীতমহঁতৰ ঘৰৰ ওচৰেৰে পাৰ হৈ যোৱা ট্ৰেইনখনৰ হুইছেলৰ শব্দ শুনি প্ৰীতমে চকু মেলিলে। এটা নতুন ৰাতিপুৱাই প্ৰতিদিনৰ দৰে সেইদিনাও প্ৰীতমক নতুন আনন্দ দি গ'ল। ৰাতিপুৱাৰ সময়বোৰ ক্ৰমশঃ সলনি হ'ল আহিল এটি দুপৰীয়া। দুপৰীয়া আঁতৰিল। আহিল হেঙুলী আবেলি। ক্ৰমশঃ প্ৰীতমৰ জীৱনটো যেন গৈ থাকিল কিছুমান নজনা-নুবুজা ভাল লগা, কেতিয়াবা দুখৰ অশান্ত হৃদয়। সুখ-দুখৰ এই নুবুজা শিহৰণৰ মাজেৰে তাৰ জীৱনটো ভালদৰে গৈ থাকিল।

সময়ৰ নুবুজা সমীৰণে কেতিয়াবা তাক বৰ অসহায় কৰি পেলায়। কেতিয়াবা কিয় তেনেকুৱা হয় সি বুজিব নোৱাৰে। মানুহৰ জীৱনলৈ বাৰু বেদনা কিয় আহে? সি জনা হোৱাৰেপৰা তাৰ যে কিবা ডাঙৰ ভুল হৈছিল, তেনে ঘটনা তাৰ মনত নপৰে। নহ'লে সি আজি অসহায় কিয় হ'ল? এনেবোৰ চিন্তাৰ মাজতে এটা অসীম আত্মবিশ্বাসে তাক প্ৰেৰণা দি যায়। সি বাস্তৱক ভাল পায় সত্য তাৰ সদায় প্ৰিয়। সি ভাবে— মনটোৰ অসহায় অৱস্থাত পোৱা প্ৰবল আত্মবিশ্বাসবোৰ তাৰ মাক-দেউতাকৰপৰা পোৱা মৰম-আশীৰ্বাদৰ ফল। মাক-দেউতাকহঁতে বৰ কষ্টৰ মাজেৰে সিহঁতক ডাঙৰ-দীঘল কৰিছে। টকা-পইচা বা বৰ্তমান সমাজত প্ৰচলিত আধুনিক মনোৰঞ্জনৰ আহিলাবোৰ সিহঁতক দিব পৰা নাই যদিও সংস্কাৰৰ কিছুমান অমূল্য সম্পদ প্ৰদান কৰি তাৰ জীৱনটোক আদৰ্শপূৰ্ণ জীৱন হিচাপে গঢ় দিয়াত যথেষ্ট সহায় কৰিছে।

মাক-দেউতাকৰ প্ৰেৰণা, আত্মবিশ্বাস আৰু আশীৰ্বাদ শিৰত তুলি লৈ সি এদিন স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত বহিল। সময়ে এই যাত্ৰাত বহুবাৰ হেঙাৰ দিছিল যদিও সকলোবোৰ সি হেলাৰঙে অতিক্ৰম কৰি গৈছিল। সি যেতিয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল, তাৰ পিচতে সি এটা পাৰ্ট টাইম জব কৰিছিল। তাৰপৰাই তাৰ লাগতিয়াল সকলোবোৰ নিজহে ল'ব পৰিছিল।

তাৰ জীৱনটো ভালদৰেই চলি গৈ আছিল। সময়বোৰেও নতুন নতুন কিছুমান সোৱাদ দি গৈছিল। জীৱনৰ চাকনৈয়াত সি কিছুমান নুবুজা সময় দেখিলে। যেতিয়া তাৰ বৰ মৰমৰ ভাইটি ঘৰৰপৰা যাবলৈ ওলাল, সি ভবা নাছিল কথাবোৰ। সিহঁতৰ

পৰিয়াল বুলিবলৈ মাত্ৰ চাৰিজনেই মানুহ— সি, তাৰ মাক-দেউতাক আৰু তাৰ অতিকৈ মৰমৰ বন্ধুৰ দৰে সুখ-দুখৰ কথা পতা, নিশা বিছনাত পৰি সমাজ, ঘৰ আৰু জীৱন গঢ়াৰ সপোন দেখা লগৰীয়া, তাৰ বৰ মৰমৰ ভাইটিজন নিযুক্তি পাইছিল সহস্ৰ সীমা বলৰ কনিষ্টবল হিচাপে। যেতিয়া তাৰ চাকৰি হোৱা কথাষাৰ ঘৰত মাক-দেউতাকে শুনিছিল, আৱেগত চকুপানী টুকিছিল। তাৰো বহুত ভাল লাগিছিল; তাৰ মৰমৰ ভাইটিয়ে দেশৰ কাৰণে কাম কৰাৰ সুযোগ পাইছে। তাৰ জীৱনটো এটা আদৰ্শনিষ্ঠ জীৱনলৈ পৰিৱৰ্তন হ'ব। আনে সুধিলে গৌৰৱেৰে ক'ব পাৰিব। খবৰটো শুনাৰ দিনাৰপৰা তাৰ ইমানেই ভাল লাগিছিল, সি যেন কাকো বুজাব নোৱাৰে। নিৰ্দিষ্ট সময়ত সি যাবলৈ ওলাল। সি লক্ষ্য কৰিছে সকলোৰে মুখবোৰ সেমেকা। সি ঠিক ধৰিব নোৱাৰিলে ই কিহৰ চিন— সুখৰ নে দুখৰ। অজানিতে তাৰ চকুৰপৰাও দুটোপাল তপত চকুপানী নিগৰি আহিল। কোনেও নেদেখাকৈ সি চকুপানীখিনি মচি ল'লে। ভাইটিৰ বেডিঙটো কান্ধত তুলি লৈ গ'ল ষ্টেচনলৈ। দুই-এটা লাগতিয়াল কথা কৈ সি তাৰ ভাইটিক বিদায় দিলে।

সময়বোৰ গৈ থাকিল ক্ৰমশঃ। বহুতো নতুন সময়, বহুতো ভাললগা, বহুবোৰ বেয়ালগা। তাৰ জীৱনলৈ সি গম নোপোৱাকৈ কিবা এটা নিঃসংগতা নামি আহিল। সময়বোৰত যেন সি বৰ অকলশৰীয়া হৈ পৰিল। ভাইটিলৈ তাৰ বৰ মনত পৰা হ'ল। তাৰ জীৱনৰ একান্ত ব্যক্তিগত কথাবোৰ তাৰ ভাইটিক কৈছিল। তাৰ বহুতো বন্ধু আছে যদিও কিবা এটা যেন নুবুজা শিহৰণে তাৰ মনৰ কথাবোৰ কোৱাত বাধা দিয়ে। সি নিশা বিছনাত পৰি সদায়ে অতীত ৰোমন্থন কৰে। পাৰ হোৱা সময়বোৰে তাক যে কি দি যায় সি বুজিব নোৱাৰে। চাৰিওফালে যেন কিবা এটা নিঃসংগতাই তাক খুলি খুলি খাইছে। ভাইটিয়ে টোপনী যোৱা ঠাইখিনি আলফুলে লিৰিকি বিদাৰি চাই যেন সি ভাইটিৰ উপস্থিতি অনুভৱ কৰে। মাজে মাজে তাৰ ভাইটি ঘৰলৈ আহে যদিও আলহী যেন লাগে। এতিয়া যেন তাক মৰমেৰে মাতা 'দাদা' মাতষাৰ অচিনাকী হ'ল, তাৰ তেনেকুৱা লাগে। তাৰ বৰ মন যায় সেই মাতষাৰ শুনিবলৈ। কিন্তু সি জানে, তাক দিয়া মাতষাৰতকৈ তাৰ ভাইটিয়ে দেশৰ প্ৰত্যেকজন দদায়েকক দাদা বুলি মাতিছে। দেশৰ প্ৰত্যেকজন আই-পিতাই, ভাইটি-ভণ্টি, দাদা, সকলোবোৰে যাতে শান্তিৰে টোপনী যাব পাৰে, তাৰ কাৰণে তাৰ ভাইটিয়ে বহুবোৰ নিশা উজাগৰে কটাইছে। তাৰ দুখ লাগে যদিও তাৰ ভাইটিলৈ শ্ৰদ্ধা-ভক্তি আৰু আদৰ্শৱান কামটোৰ প্ৰতি থকা সেই আশাক শ্ৰদ্ধা জনাই তাৰ জীৱনত অহা নিঃসংগতাখিনিক পাহৰাৰ চেষ্টা কৰি থাকে।

# আদৰ্শ জীৱন পথ

- বহুতো খাবলৈ ইচ্ছা কৰে; কিন্তু অলপতেই সন্তুষ্ট হয়, শুলেই টোপনি আহে, তৎক্ষণাৎ সাৰ পায়, প্ৰভুভক্ত, বীৰ— এই ছয়টা গুণ কুকুৰপৰা শিকিব লাগে।
- পণ্ডিত কোন? যিজনে পৰস্ত্ৰীক মাতৃৱৎ জ্ঞান কৰে, পৰদ্ৰব্য মাটিৰ চপৰা যেন দেখে, সৰ্বভূতকে আত্মৱৎ দেখে, তেৱেঁই পণ্ডিত।
- সুখত, দুখত, দুৰ্ভিক্ষত, ৰাষ্ট্ৰবিপ্লৱত, ৰজাৰ ঘৰত আৰু শ্মশানত যিবিলাকে সহায় কৰে, সেয়ে বন্ধু।
- মাতৃ, গুৰুপত্নী, ব্ৰাহ্মী, ৰাজপত্নী, দুগ্ধৱতী গাই, ধাত্ৰী আৰু পৃথিৱী— এই সাতগৰাকী মাতৃ বুলি শাস্ত্ৰই কয়।
- যিজনে অন্নদান কৰে, যিজনে ভয়ৰপৰা ৰক্ষা কৰে, যিজনে কন্যাদান কৰে, যিজনে জন্ম দিয়ে, যিজনে বিদ্যা দিয়ে— এই পাঁচগৰাকী পিতৃ বুলি শাস্ত্ৰই কয়।

# সন্ত্ৰাস

দিব্যজ্যোতি কলিতা
স্নাতক প্ৰথম বৰ্ষ



**বসন্তৰ** প্ৰথমজাক বৰষুণৰ পাচত ওলোৱা কোমলকৈ ৰ'দটো, নকৈ পানী পোৱা মাটিডৰাৰ আমোলমোল গোন্ধ, গছৰ কুঁহিবোৰৰ আঁৰত চৰাইৰ কিচ্‌কিচনি মাতবোৰে উদ্দীপ্তৰ মনত অনাবিল আনন্দৰ জোৱাৰ তুলিলে। কি সুন্দৰ এই বিচিত্ৰ ধৰা। .... আজি বিলটোতো যেন চৰাইৰ সংখ্যা বেছি। কালিৰ বৰষুণজাকৰ বাবেই হয়তো এয়া ধৰাই নকৈ কাচিলে। সি যান্ত্ৰিকতাৰ দৰেই এটা শিলগুটি বিলটোৰ পিনে নিক্ষেপ কৰিলে। লগে লগে এজাক চৰাই কলকলনি কৰি সৌ গছবোৰত পৰিলগৈ। গছবোৰতো সিহঁতে ধেমেলীয়া কাজিয়াহে যেন কৰিছে। উদ্দীপ্তৰ আন্দোলিত হিয়াৰ অনাবিল হেন্দোলনিত চিঞৰ মাৰিব ওলায়ো যেন সি থমকি ৰ'ল। তাৰ হৃদয়ত অইন এক হেন্দোলনি উঠিল। জালৰ ভিতৰত থকা চৰাই এটি মুকলি হোৱা বুলি উৰিব খুজি উৰিব নোৱাৰি নিথৰ হোৱা হৃদয়খনৰ দৰে উদ্দীপ্তৰো হৃদয়খন নিথৰ হৈ ৰ'ল। সি অলপ টহল মাৰি এটি ডাঙৰ শিলৰ ওপৰত বহিলগৈ।

আকাশত এতিয়াও চমকা-চমকিকৈ ডাৱৰৰ দ'মবোৰ আছেই। কোনোবাই যেন খেতি কৰিবলৈ মাটিহে চহাইছে। এই কথা উদ্দীপ্তক সৰুতে মাকে কৈছিল। আইতাকে কোৱা সাধুটোৰ সৈতে মিলাই কৈছিল— "বুঢ়া-বুঢ়ীয়ে আলু পুতিবৰ বাবে আকাশখন কদলিয়াইছে।" আকাশখন বহু সময় ধৰি চাই থাকোঁতেই তাৰ স্কুললৈ যাবৰ দেৰি হৈছিল। ডাৱৰৰ চপৰাবোৰৰ মাজেৰে সূৰ্যৰ পোহৰ পৃথিৱীলৈ অহাৰ দৰে উদ্দীপ্তৰ ভাববোৰ আকাশৰ সিপাৰলৈ গৈছিল। আকাশখন ইমান ডাঙৰ? তাত থকা মানুহবোৰ আৰু কিমান ডাঙৰ...? তাৰ কল্পনাত আকাশৰ মানুহৰ অবয়বটো নৌহওঁতেই কোনোবাই আহি মাত লগাইছিল— "মহাশয়ে আজি স্কুললৈ নাযায় নেকি?" বাঘ দেখা হৰিণাৰ দৰে সি ততাতৈয়াকৈ স্কুললৈ যাবৰ বাবে সাজু হ'বলৈ গৈছিল। সি এবাৰো নাচালে কোনে আহি তাক কথাটো সোঁৱৰাই দিছিল। তাৰ সেইটো মাত চিনাকি আছিল। কেৱল আজিয়েই নহয়, আন বহুদিনৰ দৰে আজিও জুলিয়ে স্কুললৈ যাবলৈ আহি তাক মাত লগালে। উদ্দীপ্তই কথাবোৰ মনতে উনুকিয়াই অকলে অকলে হাঁহিব ধৰিলে। হঠাৎ সি বিদ্যুৎপৃষ্ঠৰ দৰে সম্বিৎ হৈ উঠিল। তাৰ বন্ধু ৰাতুলৰ প্ৰস্থান এতিয়াহে গম পালে। "কি হ'ল? অকলে অকলে হাঁহি আছা যে?" ৰাতুলেও গৈ শিলটোতে বহিলহি।

উদ্দীপ্তই উগ্ৰপন্থীত যোগদান কৰাৰ দিনাৰপৰাই ৰাতুলক পাইছে। তাৰ সকলো চিনাকিপৰ্ব ৰাতুলৰ হতুৱাই হ'ল। ৰাতুলেই তাক সকলো শিকাই-বুজাই দিলে। তাৰ বহল হৃদয়ৰ খোলা দুৱাৰখনেৰে ৰাতুলে এবাৰ সোমাই আৰু ওলোৱাৰ পথ বিচাৰি

নাপালে। ৰাতুলকো উদ্দীপ্তই শ্ৰদ্ধা-ভক্তিৰে ভালপোৱাৰ দৰে ৰাতুলৰো প্ৰিয় হ'ল উদ্দীপ্ত। দুয়ো হৈ পৰিল যাঁতৰ দুয়োখন থালৰ দৰে এৰাব নোৱাৰা যোৰ। এজনৰ অবিহনে আনজনৰ ক্ষমতা অপাৰগ। এই কথাৰ উমান লৈয়ে সিহঁতৰ বছেও এতিয়া সকলো কামতেই দুয়োকে একেলগে পঠায়।

আজি ধলপুৱাই ৰাতুল আৰু উদ্দীপ্ত নুমলী পাহাৰৰ গাতে লাগি থকা এলেকাবোৰলৈ আহিছে। খেতিত পোক নধৰোঁতেই ঔষধ দিয়াটো ভাল বাবেই সিহঁতৰ বচে মাজে মাজে ছাউনিৰ চাৰিওকাষ চিকুণাই লয়; যাতে ক'তো গেলা-পচা বস্তুই সিহঁতক দুৰ্গন্ধ যোগাব নোৱাৰে। ইমান সময় ডাক্তৰে শৰীৰ পৰীক্ষা কৰাৰ দৰে সিহঁত দুয়ো নুমলী পাহাৰৰ ইকাণ-সিকাণ পিটপিটাই চালে।

জীৱনপথত কোন কেনি কাৰ প্ৰেমত পৰে ক'ব পৰা নাযায়। উদ্দীপ্তয়ো ক'ব নোৱাৰিলে— কিয় তাৰ ভাল লাগিল। তাৰ ভাল লাগিল আগেয়ে দেখি থকা বিলটো। ইমানেই ভাল লাগিল যে, সিহঁতৰ পৰিক্ষণীয় ভ্ৰমণৰ বাকী অংশ ৰাতুলে অকলেই শেষ কৰিলে।

নিজ ভাবনাৰ ৰাজ্যত আপোন পাহৰা হৈ আছে উদ্দীপ্ত। বিলটোৰ সৌন্দৰ্যই যেন তাৰ ভাবত ইন্ধন যোগাইছে। অকস্মাৎ ৰাতুলৰ মাততহে বিদ্যুৎপৃষ্ঠৰ দৰে তাৰ সম্বিৎ ঘূৰি আহিল।

ৰাতুলৰ ঘৰ গুৱাহাটীৰ কাষতে হ'লেও অঞ্চলটোত শিক্ষিত মানুহৰ সংখ্যা সৰহকৈ নাই। তাৰ মাক-দেউতাকো সেই তালিকাখনৰপৰা বঞ্চিত। মাক-দেউতাকে তাক মৰম কৰিছিল যদিও উগ্ৰপন্থীত সোমোৱাটোৱে সিহঁতৰ মনত দুখ দিয়ে। তাৰ এই কৰ্মত দেউতাকে মৃদু প্ৰতিবাদ কৰিছিল যদিও তাৰ শক্তিশালী মন্তব্যই দেউতাকক দুৰ্বল কৰি দিয়ে।

ৰাতুলৰ বিষয়ে উদ্দীপ্তই ইয়াতকৈ বেছি একো নাজানে। নজনাৰো কাৰণ আছে। ৰাতুলে তাৰ নিজৰ বিষয়ে একো নামাতে; কিবা সুধিলে অলপ কয় যদিও খং কৰাটো উদ্দীপ্তই গম পায়।

উদ্দীপ্তৰ ঘৰ গোৱালপাৰাত। স্থানীয় স্কুল এখনৰ শিক্ষক দেউতাকৰ একমাত্ৰ পুত্ৰ। মৰমলগা সেই মেধাৱী ল'ৰাটো, যাক লৈ গোটেই শিক্ষকবৃন্দই গৌৰৱ কৰিছিল। সেইজন উদ্দীপ্তই উগ্ৰপন্থীত যোগদান কৰাৰ কথা গম পাই উদ্দীপ্তৰ দেউতাকৰ হৃদয়ত এক বুজাব নোৱাৰা আঘাত লাগিল। দেউতাকৰ ভয়ত দেউতাক নোহোৱাৰ সুবিধা লৈহে সি ঘৰলৈ আহে। সি খবৰ লয়— মাকৰ খবৰ, দেউতাকৰ খবৰ আৰু ..... জুলিৰ খবৰ। দেউতাকেও কথাবোৰ গম পায়; কিন্তু কৰিব কি? সিওটো নিজৰেই সন্তান। তথাপিও কেতিয়াবা মাকক কয়— "তাৰ নিচিনা কুলশত্ৰু নালাগে। ...আধুনিক ল'ৰাটো সি; মই শিকালোঁ চাৰি, সি বুজিলে আঠ। হওক দিয়া, সি তাকেই পঢ়ক। আমাৰ নিচিনাকৈ অসমীয়া পঢ়ি থাকিলে তাৰ আধুনিকতাৰ কিবা থাকিব জানো? তাক আহিলে... কুকুৰদৰে....।" উত্তেজনাতেই নে আৱেগতেই দেউতাকৰ কথাবোৰ নোলোৱা হৈ পৰে। মৰম নামৰ কিবা এটাই ডিঙিত সোপা মাৰি কথাবোৰ যেন ওলাবই নিদিয়ে।

মাকেও এতিয়া তাৰ কথা দেউতাকৰ আগত একো নুলিয়ায়। তথাপি ক'বলগা হয় পুতেকৰ কথা, এই জেদৰ বিৱৰণ দিবলগা হয়— জুলিৰ আগত। কাম কৰি সহায় কৰি দিয়াৰ চেলু লৈ জুলিয়ে মাকৰপৰা সকলোটি খবৰ লয় উদ্দীপ্তৰ। জুলিৰ বিয়াৰ প্ৰস্তাৱ আহিয়েই আছে। সিদিনা চহৰৰপৰা এজন আহিছিল; চৰকাৰী চাকৰিয়াল। জীয়েকৰ বিয়াক লৈ উথপ্‌থপ্ কৰি থকা দেউতাকৰ মনটো চৰকাৰী ল'ৰা পাই উকি মাৰি ৰভাতলি পালেই। জ্বলিবলৈ লোৱা কাঠ টুকুৰাত জুলিয়ে যেন এষাৰ কথাৰেই পানী পেলাই দিলে। ক্ৰিয়া যিমান শক্তিশালী, প্ৰতিক্ৰিয়াও সিমানেই শক্তিশালী। নুমোৱা জুইৰ ধোঁৱাই আহি জুলিৰ নাকে-মুখে বৰকৈ ধৰিলে। তথাপিও জুলিয়ে জুইকুৰা নুমায়েই পেলালে।

উদ্দীপ্ত আচৰিত হ'ল। এয়া কি? তাৰ দৰেই ৰাতুলৰো চকুৰ লোটক বহল শিলচটাৰ বুকুত? হয়তো সি কথাবোৰ বেছি আৱেগিক হৈ কৈছে। এৰা, সঁচা বন্ধুৰ আগত সঁচা কথাই ওলায়; তেনেকৈ সঁচা বন্ধুৰ সঁচা প্ৰতিদানো পায়। "জীৱনৰ গতিময় পথ ওখোৰা-মোখোৰা বুলি পঢ়িছিলোঁ; এতিয়া তাৰেই ব্যৱহাৰিক বিদ্যা ল'লোঁ। তুমি হাৰ নামানিবা; তোমাৰ স'তে মই আছোঁ।" ৰাতুলৰ কথা শুনি উদ্দীপ্তই চিনাকি হাঁহিটোৰে ক'লে— "মই ভয় কৰা নাই। প্ৰকৃতিয়ে যেনেকৈ সময়ে সময়ে নকৈ কাচে; ময়ো এদিন নহয় এদিন নিশ্চয়....। কিন্তু মোৰ মাক লৈহে দুখ লাগে।"

উদ্দীপ্তই মাকক বৰ ভাল পায়। অথচ মন গ'লেও লগ পাব নোৱাৰে। আকৌ গ'লেও মাকৰ সমস্যাহে বাঢ়ে। দেউতাকে কি কি যে সুধিব? জুলিৰ কথাটো বেলেগেই। "মোক সি এদিনো লগ নধৰে। আহিলেও আহে ভিজা মেকুৰীৰ দৰে লুক-ভাক কৰি; এইবাৰ আহিলে কিন্তু মোক মাতিবদেই খুড়ী....।"

হঠাতে কিবা এটা সংকেত পাই দুয়োৰে প্ৰতিটো অংগ সক্ৰিয় হৈ উঠিল। ততাতৈয়াকৈ দুয়ো অহা বাটেৰেই ৰাওনা হ'ল।

নভোমণি আহি মূৰৰ ওপৰ পাবহিয়েই। ৰাতুল আৰু উদ্দীপ্তই সিহঁতৰ কেম্পলৈ আহি বচক লগ কৰিবলৈ গ'ল। জখলাৰে উঠিব পৰা সৰু সেই জুপুৰিটোৰ ভিতৰত সুসজ্জিত কেইটিমান আসন খালী আছিল। বচ আৰু আন এজন বিষয়াই

কিহবাৰ বিষয়ে আলোচনা কৰি আছিল। সিহঁতৰ প্ৰথা অনুযায়ী দুয়োয়ে বচক সম্বোধন জনালে। বচ্ছৰ নিৰ্দেশানুযায়ী দুয়োয়ে নিজৰ আসন গ্ৰহণ কৰিলে। "ছাৰ, সকলো ঠিকেই আছে।" কিছু সময় নিস্তব্ধতাৰ ওৰ পেলাই ৰাতুলে ক'লে। "অ' মই আজি তোমালোকক বেলেগ এটা কথাহে ক'ব ওলাইছোঁ।" —বচৰ গহীন স্বৰে ৰাতুল আৰু উদ্দীপ্তৰ কৰ্ণকুহৰ ধ্বনিত কৰিলে। "তোমালোকে নিশ্চয় গম পোৱা যে, বহুদিনৰ বিৰতিৰ অন্তত সিদিনা আমাৰ গোটেই নেতাবৃন্দৰ এখন গুৰুত্বপূৰ্ণ সভা বহে। তাতেই বহু বিবেচিত এক সিদ্ধান্ত গুৰুত্ব সহকাৰে লোৱা হৈছে। সকলো সদস্যক এই বিষয়ে অৱগত কৰাও নহয়। এই কাৰ্যৰ সমূহ দায়িত্ব আমাৰ কেম্পৰ ওপৰত ন্যস্ত কৰা হৈছে বাবে মই তোমালোক দুয়োৰে কথা তাত উল্লেখ কৰিছোঁৱেই। মোৰ বিশ্বাস তোমালোকে নিশ্চয় এই কাম সুকলমেৰে সমাধান কৰিব পাৰিবা। হয়তো এয়া আমাৰ এক ডাঙৰ ইতিহাস ৰচাৰ এটা সুপৰিকল্পনাই হ'ব।" বচে নিজা মন্তব্যৰ সুৰেৰে কৈ এপলক দুয়োৰে মুখলৈ চালে। দুয়ো বিস্ময়ত ইজনে সিজনৰ মুখলৈ চাইছে। বচক প্ৰশ্ন কৰিবও ভয় কৰে সিহঁতে। ভয় কৰাই স্বাভাৱিক। যিহে মাত। মাত নহয় যেন গোজৰণিহে। "ছাৰ, পৰিকল্পনাটো....।" ৰাতুলৰ সৰুকৈ ওলোৱা মাতটোৰ আগ ধৰি বচে বুকু কঁপোৱা মাতটোৰে ক'লে— "কুলি-কেতেকীৰ মাতত বিহুৰ আগজাননী পাই ডেকা-গাভৰুবোৰে বিহুৰ আখৰা জুৰিলেই। সমান্তৰালভাৱে আমিও আমাৰ আখৰা আৰম্ভ কৰা উচিত।... দক্ষিণহাটীৰ বিহুৰ কথা তোমালোকে নিশ্চয় শুনিছা। বিহু নহয় যেন সেয়া এক বিশাল গণ সমাৰেশহে। আৰু সেয়াই হ'ব আমাৰ লক্ষ্য....।" 'ছাৰ'। বহু সময় বন্ধ কৰি ৰখা মাতটো উদ্দীপ্তৰ মুখৰপৰা যেন ডাঙৰকৈয়ে ওলাল অনিয়ন্ত্ৰিতভাৱে। "কিবা ক'বা?"— বচৰ আহ্বানত উদ্দীপ্তই নম্ৰভাৱে ক'লে— "ছাৰ, ৰঙালীৰ ৰঙত মতলীয়া জনতাৰ ওপৰত নজৰ পেলাই আমাৰ কি লাভ হ'ব?" "তুমি নিজকে কি বুলি ভাবিছা?" উদ্দীপ্তৰ প্ৰশ্নৰ প্ৰত্যুত্তৰত এক উচ্চস্বৰে ধমকিৰ সুৰত ক'লে— "এয়া তোমালোকে চিন্তা কৰিব নালাগে নহয়? আমাৰ চিন্তা কৰিবলৈ বেলেগ ব্যক্তি আছে।" "কিন্তু ছাৰ!" —ৰাতুলৰ বাধাক ভ্ৰূক্ষেপ নকৰি উদ্দীপ্তই মৃদু উত্তেজনাত ক'লে— "ছাৰ, এয়া যে অন্যায়। নিৰীহ মানুহৰ ৰঙালীত তেজেৰে ৰং সানি কি লাভ?"

দুয়োকে আচৰিত কৰি বচে নিৰৱে ৰ'ল। কিছু পলক এনেদৰেই পাৰ কৰি বচে সংযমভাৱে ক'লে— "ইউ কেন গো।" উদ্দীপ্তই কিবা এটা কোৱাৰ আগতেই বচে আকৌ ক'লে— "প্লিজ, গো আউট।" উদ্দীপ্তই কিছু সময় তাতেই থিয় হৈ থাকি হঠাৎ প্ৰলয়মুখী বতাহৰ দৰে ওলাই আহিল। বতাহ যেতিয়া প্ৰলয়মুখী হয়, তাৰ গতি-বিধিৰ বিষয়ে ক'ব নোৱাৰি। উদ্দীপ্তৰো একেই হ'ল। সি কোনপিনে গতি কৰিছে ক'ব নোৱাৰে সি। কেৱল সৰ্বশক্তিৰে গতি বঢ়ায়েই থাকিল— যেন ইতিক্ষণে অসীমত হেৰাই যাব, বিলীন হৈ যাব ভাৱৰৰ দ'মবোৰৰ মাজত।

সি একেকোবে আহি বিলটো পালেহি। য'ত পুৱতি নিশা নৱোদিত বেলিয়ে দিছিল মনৰ প্ৰশান্তি, য'ত বহু সময় চৰাইবোৰৰ ধেমালি চাই মন জুৰাইছিল, য'ত চৰাইবোৰৰ আনন্দ চাই মনত হেন্দোলনি উঠিছিল। এয়াই সেই ঠাই, য'ত মনে বিচৰা বন্ধুজনৰ সৈতে সুখ-দুখৰ বহু কথা পাতিছিল, মনৰ ভাৱৰবোৰ মোকলাইছিল। সি আহি আকৌ সেই ঠাইখনেই পালে; কিন্তু সময় যে নিষ্ঠুৰ, গতিশীল। ক'লৈ গ'ল সেই ঠাইখন? .....

এতিয়া পুবৰ বেলিটোৰ উদ্যম পশ্চিমত যেন শাম কাটিলে। পুবৰপৰা গোটেই পৃথিৱীখন ভ্ৰমণ কৰি পশ্চিমত যেন ভাগৰুৱা হৈ হেঙুলীয়া হৈ গ'ল। ন-উচাহত কলবলনি কৰি থকা চৰাইজাকো এতিয়া নাই। আছে কেৱল নিৰ্জীৱ বিলটোত কিবা এটা জন্তুৰ মৰাশ পৰি। মৰাশটোৰ চাৰিওফালে এজাক মাংসহাৰী প্ৰাণীয়ে আৱৰি ধৰিছে; চিঞৰ-বাখৰত উত্তপ্ত হৈ পৰিছে পৰিৱেশ। সি আকৌ ওচৰ চাপি গ'ল মৰাশটোৰ কাষলৈ— কেইটামানে কি তৃপ্তিৰে ভালৰো ভাল মাংসবোৰ খাইছে আৰু আনবোৰে এনেয়ে চিঞৰ-বাখৰ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আছে। সিহঁত যেন উপায়হীন, সন্ত্ৰাস কৰিলেও বা নকৰিলেও এডোখৰ মাংস ভাগত পাব নে নাপায় একো নিশ্চয়তা নাই।

উদ্দীপ্তৰ বুকুখন ছিৰাছিৰ্ কৰিব ধৰিলে। গোটেই শৰীৰৰ তেজ উতলি যেন মূৰত ভিৰ কৰিছে। এবাৰ জোৱাৰভাটাৰ দৰে কলিজাত ওফন্দি উঠিছে তাৰ উতলা তেজবোৰ; বিষত যেন সি থিৰে থাকিব পৰা নাই। একোবাৰ তেজৰ অভাৱত কলিজাই যেন কাতৰে চিঞৰ মাৰিছে। কেতিয়াও খাবলৈ নোপোৱা চৰাইজাকৰ সন্ত্ৰাসে আহি তাৰ বুকুত হাড়ভঙা খুন্দা মাৰিলে। সি দেখিলে প্ৰাচ্য বেলিৰ হেঙুলীয়া বুকুত ভয়ংকৰ পক্ষী এটাই যেন খোঁট মাৰি ফোট বনালে। তীব্ৰ বেগেৰে নদীৰ দৰে হৈ যেন বৈ আহিছে বেলিৰ বুকুৰপৰা তেজৰ ধাৰ। তাৰ এনে লাগিল যেন এতিয়াই গৈ সেই ফোটটো বন্ধ কৰিব; কিন্তু তাৰ যে ডেউকা নাই। সি বেলিৰ তেজবোৰ ভক্ষণ কৰি তেজৰ বানৰপৰা যেন ধৰাক ৰক্ষা কৰিব। সি শিলটোৰ ওপৰলৈ তীব্ৰ গতিৰে দৌৰিছে....।

উদ্দীপ্তৰ সৈতে আহিব বিচাৰিছিল ৰাতুল। বচৰ নিৰ্দেশমতে নাহিল সি— আহিব নোৱাৰিলে। "তাৰ মগজুত কোনে কি বীজ

সিঁচিছে, তাৰ প্ৰয়োজন নাই।" বচে ৰাতুলক বহিবলৈ কৈয়ে আৰম্ভ কৰিলে— "তুমিতো তাৰ নলে-গলে লগা; মই জানো, কামটো তোমাৰ বাবে উজু নহ'ব। কিন্তু কঠিন কাম কৰাই সংগ্ৰাম, আমাৰ ধৰ্ম।" 'ছাৰ', ৰাতুলে নম্ৰ অথচ ভয়েৰে ক'লে— "ছাৰ, আপুনি ক'ব খুজিছে কি?" 'মই ক'ব খোজা নাই, ক'লোঁৱেই।''— বচে খণ্ডৰ সুৰেৰেই ক'লে— "আৰু তোমাক কি বুজাই ক'ব লাগিব?" "কিন্তু ছাৰ?" ৰাতুলৰ কথাত আগ ধৰি বচে উচ্চস্বৰে ক'লে— "আই ন', বাট আই ওৱাণ্ট টু চি হিজ ডেড্ বোডি।"

বচৰ ইংৰাজী বাক্যটোৰ পাচত কিবা কৈ যে লাভ হ'ব ৰাতুলে নাভাবে। তথাপিও ৰাতুলে কিবা এটা ক'ব বিচাৰিছিল; কিন্তু বচে কোনো গুৰুত্বই নিদিলে। ৰেডিঅ', টেলিভিচনৰ চেনেল সলনি কৰাৰ দৰেই বহি থকা আন নেতাজনৰ সৈতে বেলেগ কথাত লাগি গ'ল।

ৰাতুল ওলাই আহিল। সি ক'ত আছে, কি কৰি আছে, একো নাজানে। পুতলা নাচৰ পুতলাটোৰো লেকাম থাকে; কিন্তু ৰাতুলৰ সেয়াও নাই। তাৰ হঠাৎ তত্ আহিল। যেন কোনোবা কম্পিউটাৰ ব্যৱহাৰকাৰীয়ে তাৰ মগজুৰ স্কেন বুটামটো ক্লিক কৰিলে। সি তীব্ৰ বেগেৰে গোটেই কেম্প ভাইৰাছ স্কেন কৰাৰ দৰেই চলাথ কৰিলে। সি বিচাৰি বিচাৰি নুমলী পাহাৰ পালে। নাই, ক'তো নাই উদ্দীপ্ত।

মেলানি মগা বেলিটিয়ে কাৰো অনুমতি নোপোৱাকৈয়ে বিদায় ল'লে। ৰাতুলে এতিয়াও উদ্দীপ্তক বিচাৰিয়েই আছে। কিয়? কিয় বিচাৰিছে সি উদ্দীপ্তক? তাৰ দুবছৰৰ পুৰণি বন্ধুত্বৰ কাৰণে? নে বচৰ মুখৰ বাক্যৰ কাৰণে?.....

ৰাতুলক জ্বৰ ঘামে ঘামিলে। বিচিত্ৰ ধৰা আন্ধাৰেৰে আছন্ন হ'ব ধৰিলে। সি কিছুমান শিয়াল আদি জন্তুৰ মাত শুনিলে। সেই মাতবোৰৰ পম খেদি সি বিলটোৰ কাষ পালে। সি দেখিলে— এজাক শিয়ালে কিবা এটা আৱৰি ধৰি চিঞৰ-বাখৰ কৰি আছে। সি আকৌ কাষ চাপি গৈ দেখিলে— তাৰ মাজত এজন মানুহে শিয়ালকেইটাৰপৰা এটা মৰাশ যেন ৰক্ষা কৰি আছে।

মানুহজন উদ্দীপ্ত বুলি ভাবি তাৰ অন্তৰাত্মাই সন্ত্ৰাসত তালফাল লগালে....। ◉

# আত্মোৎকৰ্ষ ঃ সাধনাৰ বিশেষ গুণ

- নিৰৱতা
- সংকল্প
- অধ্যৱসায়
- আন্তৰিকতা
- আত্ম সংযম
- পৰিষ্কাৰ-পৰিচ্ছন্নতা
- মিতব্যয়িতা
- মানসিক প্ৰশান্তি
- ন্যায়পৰায়ণতা
- নম্ৰতা
- অজ্ঞতা লুকুৱাব নালাগে
- বন্ধু আৰু কিতাপ
- শুনা আৰু কোৱা
- উৎসুকতা

# সংগীতসূৰ্য যে আজি আৰু নাই

সত্যব্ৰত কলিতা
স্নাতক তৃতীয় বৰ্ষ

আজি স্তব্ধ হ'ল সময়
স্তব্ধ উশাহ
স্তব্ধ হ'ল হৃদয়
স্তব্ধ দুটি ওঁঠ
স্তব্ধ আজি কল্পনাৰ....

এটি উৰণীয়া মৌৰ
পাখি নাই আজি
যাযাবৰী মহানায়কৰূপী
ধৰাৰ দিহিঙে-দিপাঙে
সিন্ধু, কাবেৰীৰ ইপাৰে-সিপাৰে
ভল্গা, মিছিছিপিৰ বুকুৰে বুকুৰে
ঘূৰি-ফুৰি
কেতিয়াও ক্লান্ত হ'ব নোখোজা
মন এটি
আজি যেন ক্লান্ত হৈ ৰ'ল
নিজৰ শেতেলীতে
একো একোটা যুগৰ বাবে.....।



# শিল্পী তুমি অনন্য

মহৎ বড়ো
স্নাতক দ্বিতীয় বৰ্ষ

বিশ্ববিশ্ৰুত শিল্পী তুমি মহান
শদিয়াত জন্মি নানা দেশ ভ্ৰমি
সমগ্ৰ বিশ্ব সুৰৰ লহৰেৰে কঁপাই তুলিলা।
সাত সাগৰ তেৰ নদী সাঁতুৰি পাৰ হৈ
প্ৰচণ্ড শীতৰ মাজেৰে
তুমি কত কি যে শিক্ষাৰে মহীয়ান হ'লা।
তুমি আছিলা একেধাৰে
গায়ক, কবি, গীতিকাৰ, সুৰকাৰ, সংগীতজ্ঞ
সাহিত্যিক, ৰাজনীতিবিদ আৰু
কত যে কি গুণৰ অধিকাৰী আছিলা।
গীতৰ ভাষাৰে তুমি গোটেই
বিশ্বক বলিয়া কৰিলা।
কাৰ্বি, মিচিং, কলং, কপিলী
দিচাং, লুইত, সাগৰক লৈ
কত কি যে সুৰৰ মালা গাঁথিলা।
সেই সুৰৰ মালাৰে
তুমি অসমীয়া ৰাইজক
দ্বিগ্বিজয়ৰ জয়মালা পিন্ধালা
তোমাৰ বিনন্দীয়া অপৰূপ সৃষ্টিত
জগত মুগ্ধ
হে মহান সুধাকণ্ঠ
তোমাক সহস্ৰ প্ৰণাম
তোমাক সহস্ৰ প্ৰণাম।

# প্ৰণামো তোমাক

লক্ষ্যপতি বড়ো
স্নাতক দ্বিতীয় বৰ্ষ



তুমি জ্ঞান অন্বেষী, দূৰদৰ্শী
অনেকজনৰ শ্ৰম-ত্যাগৰ
অক্লান্ত সাধনাৰে
ঊনৈশ শ চৌষষ্টিৰ
এক শুভক্ষণত
নব প্ৰজন্মৰ বাবে
প্ৰজ্জ্বলিত হোৱা
এগছি জ্ঞানৰ বন্তি।
জ্ঞান অন্বেষী, দূৰদৰ্শী
মহান অনেকজনে
আহিল গ'ল গঢ়ি
হয়তো আহিব পুনবায়
তুমি কিন্তু থাকি গ'লা
হেজাৰজনৰ বাবে
ভৱিষ্যতৰগৰা ভৱিষ্যতলৈ
হেজাৰ হেজাৰ জ্ঞানপিপাসুৰ
স্বপ্ন হৈ—
হে জ্ঞানৰ মন্দিৰ, প্ৰণামো তোমাক।●

# জন্মভূমি

নয়নমণি নাথ
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

জনমৰ আদিম পুৱাতে লগ পালোঁ তোমাক
মোৰ মৰমৰ এই জন্মভূমি,
শয়নে-সপোনে কৰি ল'লোঁ মই জীৱনৰ লগৰী
মোৰ এই ধুনীয়া অসম দেশখনি।
প্ৰকৃতিৰ বাণী মোৰ এই ভূমি
অতিকৈ শুৱনি মোৰ এই জন্মভূমি,
চৰাই-চিৰিকটিৰ কলৰোলত মুখৰিত প্ৰকৃতি
চাৰিওফালে কেৱল অসম মাতৃৰ জয়ধ্বনি।
সুজলা-সুফলা, শস্য-শ্যামলা মোৰ এই জন্মভূমি
বুঢ়া লুইতৰ বিশাল জলৰাশিৰে তৃপ্ত মোৰ দেহ আজি,
বিশ্বত জিলিকি থকা এক মনোৰম ভূমি
মোৰ এই চেনেহৰ জন্মভূমি।●

# কাজিৰঙাত সিদিনা...

মুকুট কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

কাজিৰঙাত গ'লোঁ গঁড় চাবলৈ
দেখিলোঁ এজাক হৰিণী,
সেইক্ষণতে মনত মোৰ জাগিলে
ইহঁতেই বনৰ লখিমী।


কুলিৰ সুৰতে কেতেকীৰ মাততে
মইনাই জুৰিছে গান,
তাকে দেখি লাজতে লাজুকী বান্দৰে
এৰিলে নিজৰ স্থান।

সোমাই আছোঁ মই গভীৰ হাবিলৈ
মনত মোৰ একোৰে নাই,
বিশ্বাস আছে মোৰ সিংহ ৰজালৈ
কিঞ্চিতো ভয় নাই।

তেওঁৰ সাহতে আৰু সোমালোঁ
লগ পালোঁ পহু ভাইক,
পহুৰ দাহতে চিএৰিব ধৰিলে
আমাৰ মাখুন্দী বাই।

মাখুন্দীৰ চিএৰত ময়ূৰে ধৰিছে
অমূল্য পাখিৰ শেখম,
অজান ম'হে যুঁজ কৰিছে
বগলীয়ে দিছে ভাষণ।

নাই মোৰ সময় ভাষণ শুনাৰ
আজিলৈ আহোঁ বগলী ভনী,
আকৌ আহিম ৰঙেৰে খেলিম
সাজু হৈ থাকিবা তুমি....।●



# নদী

পি. দাস
স্নাতক প্ৰথম বৰ্ষ

মোক উন্মনা কৰ তই
কুলু কুলু সুৰেৰে বৈ
অবিৰত তোৰ সৰ্পিল গতি।

নৈ, এটি যেন উন্মাদনা তই।
পৰ্বতৰপৰা বাগৰি ভৈয়ামলৈ
এখনি হেঁপাহৰ ৰোৱঁতী নৈ।

সৰগৰ অপেশ্বৰী যেন তই
মৰ্ত্যলৈ নামি আহ আনন্দ বোৱাই;
মই মোহ যাওঁ শুনি তোৰ
খিল্‌খিল্ খিল্‌খিল্ হাঁহিত।

নৈ, মই লিখি যাওঁ দেশৰ বুৰঞ্জী
তোৰ সভ্যতাৰ গাত ভেজা দি।


সংহাৰ নকৰিবি তই।
সৃষ্টি কৰ
আগুৱাই নে বিকাশৰ পথলৈ।●

# এটি সৰা ফুল


**ৰুমী দাস**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



গছৰ তলৰ সৰা ফুল মই
নকৰে কেৱে এফেৰি আদৰ,
নাচায় চকুৰে, নুচুৱে হাতেৰে
কোনোৱে নাচাপে মোৰ ওচৰ।
দূৰৈত উৰিছে পখিলা, ভোমোৰা
নকৰে মোলৈ অকণো লক্ষ্য,
নিষ্ঠুৰ লোকে ভৰিৰে মোহাৰি যায়
অনুভৱ নকৰে মোৰ কষ্ট।



কিন্তু যিদিনা আছিলোঁ গছৰ ডালত
জক্‌মক্ কৰি সুগন্ধি ৰূপত,
সেইদিনা ভোমোৰাই আহি
মধু পান কৰিছিল বহি পাপৰিত।
আজি নাহে সেই লগৰী প্ৰাণৰ
ঘৃণা কৰি যায় ৰূপ দেখি মোৰ,
মানুহৰ ভালপোৱা এই
মানুহৰ প্ৰেম-প্ৰীতি সমস্ত স্বাৰ্থৰ।
যৌৱন মৰহি গ'লে, ৰূপ নাশ পালে
কেৱে নাচাপে ওচৰ,
গছৰ তলৰ মৰহি যোৱা ফুলটিক
কোনে কৰিব বা আদৰ! ●



# পখিলা

**এ. হুছেইন**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

প্ৰভাতৰ অৰুণৰ ৰাঙলী আভাই
জগত পোহৰাই তোলে;
চৰাই-চিৰিকটিৰ কলবোল স্বৰে
প্ৰভাতৰ আগমনি দিয়ে।
ৰং-বিৰঙৰ ফুলৰ পাহিয়ে
ফুলনি শুৱনি কৰে;
বিচিত্ৰৰঙী পখিলাবোৰে
ফুলৰ নিদ্ৰা হৰণ কৰে।
পখিলাৰ পৰশত ফুলৰ পাহিবোৰ
লাজতে মৰহি পৰে;
অভিমান কৰি পখিলাবোৰে
দূৰণিলৈ উৰা মাৰে। ●

# বন্ধ সংস্কৃতি

বিদ্যুৎ কলিতা
স্নাতক তৃতীয় বৰ্ষ

মহামাৰী অহা দি
আহিছে বাঢ়ি
বন্ধ সংস্কৃতি।
চৌদিশে ধৰিছে
হিংসাৰ কোলাহলে
আজি আৱৰি।
চাৰিওফালে মাথোঁ ধোঁৱা
মনৰ চকু মেলি
সকলোৰে চোৱা।
বন্ধৰ সংস্কৃতিয়ে আজি
গ্ৰাস কৰি আহিছে
অসমৰ ভূমি।
বন্ধ জানো
সঁচাকৈ হ'ব পাৰে
কোনো সমস্যাৰ সমাধান?
নাই নোৱাৰে
ই হ্ৰাস কৰে
অসমী আইৰ মান।●

# ভালপোৱাৰ প্ৰতিশ্ৰুতি



পাকিজা চৌধাৰী
স্নাতক তৃতীয় বৰ্ষ (কলা)

আগবঢ়াই দিয়া খোজটো
কিয় পিচুৱাই নিবলৈ লৈছা?
এবাৰ উভতি চোৱা,
তুমি উপহাৰ দিয়া ধুমুহাজাকে
থানবান্ কৰি নিছে
মোৰ জীৱনৰ শৃংখলা।
তুমিয়েইতো আগবাঢ়ি আহিছিলা
মোৰ হৃদয়ৰ অতিথি হৈ,
জোনাকৰ আবিৰ দেহত সানি
পাৰ কৰা নাছিলা জানো
বহতো উজাগৰী ৰাতি?
মোৰ উজাগৰ হোৱা প্ৰতিটো নিশা
তুমি মোৰ কাষত আছিলা,
একেলগে থকাৰ প্ৰতিশ্ৰুতি লৈ।
এতিয়া মাথোঁ প্ৰতিশ্ৰুতিবোৰ
ধূসৰতাত বিলীন হৈ গৈছে,
স্পৰ্শতাৰ দিনবোৰ অতীত হৈ গৈছে।
এনেদৰে স্পৰ্শাতীত যন্ত্ৰণাবোৰ উপহাৰ দি
কিয় তুমি উভতি গ'লা
অন্য এক জগতলৈ?●

# আমন্ত্ৰণ

কৰুণা ৰাভা
উঃ মাঃ প্ৰথম বৰ্ষ

তোমাৰ চকুত চকু থ'লোঁ
হাতত হাত

কোনো চুক্তি নাই বতাহৰ
কোনো ৰং নাই জীৱনৰ

মোৰপৰা তোমালৈ এখন দলং নিৰ্মাণ হৈছে
সংগোপনে
দলং মানেইতো ঠিকনা

আহা
মোৰ হৃদয় পুখুৰীত মেলি দিয়াহি
দুখৰ উঁৰিকনা
সহজ হওক তোমাৰো উশাহ।●

